নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

-২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ১৪৭ মঙলবাৰ ২৭ চ'ত ১৯৪৪ শক ১১ এপ্ৰিল ২০২৩ চন ASOMIYA KHABAR JORHAT TUESDAY 11 APRIL 20

জাপি, বিহুৱান বিক্ৰী



...নীফুকন গগৈ, ৰাণু বৰুৱা, আশুতোষ বুঢ়াগোহাঁই, ...জনী গগৈৰ উপৰ কৰ্মকৰ্তা, গুণমুগ্ধসকল উপস্থিত ...কে। আঁতধৰে চিপিআই নাজিৰাৰ সম্পাদক ...াগেন চেটি...

## যোৰহাটত নাট্য গোষ্ঠী গঠন

**আমাৰ খবৰ, যোৰহাট, ১০ এপ্ৰিল ঃ** সাংস্কৃতিক নগৰী যোৰহাটৰ উপকণ্ঠৰ ঢেঁকৰগড়া কমাৰগাঁৱৰ কেইগৰাকীমান সাংস্কৃতিক যুৱক একগোট হৈ শিশু আৰু চেমনীয়াসকলৰ ভৱিষ্যত উজ্জ্বলৰ প্ৰতি লক্ষ্য ৰাখি 'মুকুন্দ মুৰাৰি নাট্য গোষ্ঠী' নামেৰে এটি নাট্যদল গঠন কৰিছে। এই নাট্য গোষ্ঠীৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল—কণ কণ শিশুসকলক সংস্কৃতিৰ দিশত আগবঢ়াই নিয়া,

...ৰ চৈন ...কানীতি ...করে।

### বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, মেঘালয়

## উত্তৰ-পূৰ্বাঞ্চল গ্ৰেজুৱেট সমাৱেশত কানৈৰ সোণৰ পদক অৰ্জন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১০ এপ্ৰিল ঃ** বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, মেঘালয়ৰ উদ্যোগত ৭-৯ এপ্ৰিললৈ অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চল গ্ৰেজুৱেট সমাৱেশত ডিএইছএছ কানৈ মহাবিদ্যালয়ৰ প্ৰায় ৩০ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলে অংশগ্ৰহণ কৰি বহুকেইটা প্ৰতিযোগিতাত সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়খনৰ সমাজতত্ব বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী মৃদুলা চুতীয়া আৰু অসমীয়া বিভাগৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ আকাশ সন্দিকৈয়ে পাঞ্জা প্ৰতিযোগিতাত সোণৰ পদক, অৰ্থনীতি বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ বিশাল তামাং আৰু ইতিহাস বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী বৰষা কোঁৱৰে শক্তি উত্তোলন প্ৰতিযোগিতাত সোণৰ পদক আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ কৌশিক ৰঞ্জন চেতিয়া আৰু দ্বিতীয় ষান্মাসিকৰ ছাত্ৰ পৰাংগম শৰ্মাই কুইজত প্ৰথম ৰাণাৰ্ছআপ লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ছাত্ৰ-ছাত্ৰীসকলৰ এনে সফলতাত মহাবিদ্যালয়ৰ অধ্যক্ষ শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। অধ্যক্ষগৰাকীয়ে লগতে বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, মেঘালয়ৰ উদ্যোগত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল সামৰি এনেধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে।

## শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়